# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-03-2024
**Time :** 17-15 Hrs.

## ASSAMESE REGIONAL BULLETIN

::::::::::::::::::::::::::::::::::::

দেশৰ পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ সময়সূচী কাইলৈ ঘোষণা কৰা হ'ব। দেশৰ নিৰ্বাচন আয়োগে মুঠ ৫৪৩ টা লোকসভা সমষ্টিৰ বাবে হ'বলগীয়া এই অষ্টাদশ নিৰ্বাচনৰ বিস্তৃত সময়সূচী কাইলৈ বিয়লি ৩ বজাত ঘোষণা কৰিব বুলি প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে পৰ্যায়ক্ৰমে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়।

ইপিনে, দেশৰ নৱনিযুক্ত নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে আজি কাৰ্যভাৰ গ্ৰহণ কৰে। ভাৰতৰ নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে প্ৰকাশ কৰা মতে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে নিৰ্বাচন সন্দৰ্ভত আয়োজিত এটা অনুষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা নিৰ্বাচন আয়ুক্ত দুগৰাকীক আসন্ন ব্যস্ততাপূৰ্ণ ১২ টা সপ্তাহৰ বাবে আদৰণি জনায়। বিবৃতিটোত প্ৰকাশ পোৱা মতে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ ২০২৪ বৰ্ষৰ লোকসভা নিৰ্বাচন পৰিচালনা কৰাৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগ প্ৰস্তুত হ'বলৈ লোৱাৰ ঐতিহাসিক সময়ছোৱাত নিৰ্বাচন আয়ুক্ত দুগৰাকীয়ে নতুনকৈ কামত যোগদান কৰাটোক মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে গুৰুত্বপূৰ্ণ হিচাপে অভিহিত কৰিছে। শ্ৰী কুমাৰে জানিবলৈ দিয়া মতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাৰে গঠিত এখন পেনেলে কালি গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুক নতুন নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি হোজাইত কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই হোজাইত নৱনিৰ্মিত ৰে'লৰে উৰণ সেতু মুকলি কৰাৰ লগতে ১২৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কঠিয়াতলী-কামপুৰ-যমুনামুখৰ পৰা ডবকালৈ যোৱা পথৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। জিলাখনৰ ২৬৮ কোটি টকা ব্যয় সাপেক্ষে অন্যান্য ৬টা প্ৰকল্প উদ্বোধন কৰা হয়। ইপিনে, মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ধুবুৰী জিলাত বিলাসীপাৰা পানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰে। তেওঁ জিলাখনত ২২৯ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ৬৯ খন আঁচনিৰ আধাৰশিলা স্থাপন কৰে।

মন্ত্ৰী পীযুষ হাজৰিকাই নগাঁৱত তিনিখন চৰকাৰী আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে নগাঁও নগৰৰ সমীপৰ শেনচোৱা আৰু খুটিকটীয়াত জলসম্পদ বিভাগৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। তেওঁ অনুসূচিত জনজাতি কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা অনুমোদিত আন এখন আঁচনিৰো আধাৰশিলা স্থাপন কৰে।

মন্ত্ৰী সঞ্জয় কিষাণে বিকাশ যাত্ৰাৰ অংশ হিচাপে তিনিচুকীয়াত আজি কেহেং চাহ বাগিচা পথৰ দলং পকীকৰণ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ইটাখুলিত নিৰ্মাণ হ'বলগীয়া আন এখন দলঙৰো পকীকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰে।

ইপিনে, মন্ত্ৰী অজন্তা নেওগে গোলাঘাট জিলাৰ মক্ৰং চাহ বাগিচাত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে ৩ কোটি ৮ লাখ টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভৱন আৰু মক্ৰং চাহ বাগিচাৰ অন্তৰ্গত প্ৰায় ৩ কিলোমিটাৰ পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে।

০০০

বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেকে আজি কংগ্ৰেছ দল ত্যাগ কৰে। সাংসদগৰাকীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু তত্ত্বাৱধায়কৰ বিষয়ে অসন্তুষ্টি প্ৰকাশ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে।

০০০

আসন্ন লোকসভা নিৰ্বাচনৰ ১৩ নম্বৰ ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি আজি এখন সংবাদমেলত অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই প্ৰকাশ কৰে। অসম জাতীয় পৰিষদৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৰ্ধিত সভাই সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দলৰ সভাপতি লুৰিণজ্যোতি গগৈক সৰ্বসন্মতিক্ৰমে মনোনীত কৰে। সংবাদমেলত বিৰোধী ঐক্য মঞ্চৰ অন্তৰ্গত ৰাজনৈতিক দলসমূহে নিৰ্বাচনত শ্ৰী গগৈৰ প্ৰতি সহায় আৰু সমৰ্থন আগবঢ়োৱাৰ কথা ব্যক্ত কৰে।

০০০

আম আদমী পাৰ্টীয়ে বিৰোধী ঐক্যৰ স্বাৰ্থত গুৱাহাটী লোকসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। গুৱাহাটীত আয়োজিত এখন সংবাদমেলত আজি দলটোৰ অসমৰ তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাই কয় যে, দেশৰ সংবিধান আৰু গণতন্ত্ৰৰ ৰক্ষাৰ যুঁজত এয়া আম আদমী পাৰ্টীৰ সৰ্বোচ্চ ত্যাগ। তেওঁ লগতে কংগ্ৰেছ নেতৃত্বক ডিব্ৰুগড় আৰু শোণিতপুৰৰ পৰা প্ৰাৰ্থী প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়।

০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা-প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

০০০

ডঃ বাবুলাল আহুজাই আজি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপচাৰ্য্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ডঃ আহুজাই পঞ্জীয়ক ডঃ চুবুং বসুমতাৰী আৰু অন্যান্য অধ্যাপকসকলৰ উপস্থিতিত ভাৰপ্ৰাপ্ত উপাচাৰ্য্য অধ্যাপক পি কে পাত্ৰৰ পৰা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ দায়িত্ব গ্ৰহণ কৰে। সদৌ বড়ো ছাত্ৰ সন্থা আৰু বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলে ডঃ আহুজাক আদৰণি জনায়।

০০০

সমাপ্ত